**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-10-2025 TIME-1340 HRS.

***Assamese Midday Bulletin***
***HEADLINES***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে বিকশিত ভাৰতৰ সপোন বাস্তৱায়িত কৰাৰ বাবে সমাজৰ সকলো শ্ৰেণী বিশেষকৈ দুৰ্বল আৰু উপান্ত শ্ৰেণীসমূহৰ বাবে সমান সুযোগ আগবঢ়োৱাৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আছিয়ান শীৰ্ষ সন্মিলনত ভাৰ্চুৱেল ব্যৱস্থাৰে অংশগ্ৰহণ কৰিব।

৩। বিহাৰ বিধানসভা নিৰ্বাচনৰ বাবে মহা মিত্ৰজোঁটে ৰাষ্ট্ৰীয় জনতা দলৰ নেতা তেজস্বী প্ৰসাদ যাদৱক মুখ্যমন্ত্ৰী পদৰ প্ৰাৰ্থী হিচাপে ঘোষণা কৰিছে।

৪। দেশৰ বিভিন্ন অংশত আজি পৰম্পৰাগত ৰীতি-নীতিৰে ভাতৃ দ্বিতীয়া পালন কৰা হৈছে।

আৰু

৫। ভাৰতে এডেলেইডত অনুষ্ঠিত তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত অষ্ট্ৰেলিয়াক জয়ৰ বাবে ২৬৫ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

০০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে বিকশিত ভাৰতৰ সপোন বাস্তৱায়িত কৰাৰ বাবে সমাজৰ সকলো শ্ৰেণী বিশেষকৈ দুৰ্বল আৰু উপান্ত শ্ৰেণীসমূহৰ বাবে সমান সুযোগ আগবঢ়োৱাৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰিছে। কেৰালাৰ ৰাজভৱনত আজি প্ৰাক্তন ৰাষ্ট্ৰপতি কে আৰ নাৰায়ণনৰ এটা আৱক্ষ মূৰ্তি উন্মোচন কৰি দিয়া ভাষণত ৰাষ্ট্ৰপতিগৰাকীয়ে এইদৰে প্ৰকাশ কৰে।

প্ৰাক্তন ৰাষ্ট্ৰপতি কে আৰ নাৰায়ণনৰ অৱদানৰ বিষয়ে আলোকপাত কৰি শ্ৰীমতী মুৰ্মুৱে কয়, যে তেওঁ সততা, দয়া আৰু গণতান্ত্ৰিক ভাৱনাৰ ঐতিহ্য এৰি থৈ গৈছে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে প্ৰয়াত নাৰায়ণনে তেওঁৰ জীৱন ৰাষ্ট্ৰ নিৰ্মাণ আৰু এখন সৰ্বাত্মক সমাজ গঢ়াৰ বাবে উৎসৰ্গা কৰি থৈ গৈছে। তেওঁ কয়, যে কে আৰ নাৰায়ণনে শিক্ষাক সভ্যতাৰ ভেটি আৰু যিকোনো সমাজৰ উন্নয়নৰ বাবে শিক্ষা জৰুৰী বুলি বিশ্বাস কৰিছিল। অনুষ্ঠানত কেৰালাৰ ৰাজ্যপাল ৰাজেন্দ্ৰ বিশ্বনাথ আৰ্লেকাৰ, প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দ আৰু বিহাৰৰ ৰাজ্যপাল আৰিফ মহম্মদ খান উপস্থিত থাকে। কেৰালাৰ ৰাজ্যপালে ৰাষ্ট্ৰপতি মুৰ্মু আৰু প্ৰাক্তন ৰাষ্ট্ৰপতি কোবিন্দক সম্বৰ্ধনা জ্ঞাপন কৰে।

শ্ৰী কোবিন্দে তেওঁৰ ভাষণত কয়, যে কেৰালাৰ এখন সৰু গাঁৱৰ পৰা দেশৰ সৰ্বস্ব পদলৈ কে আৰ নাৰায়ণনৰ অবিস্মৰণীয় যাত্ৰাই দেশৰ লাখ লাখ লোকক আশা আৰু বিশ্বাসেৰে উদ্বুদ্ধ কৰি আহিছে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আছিয়ান শীৰ্ষ সন্মিলনত ভাৰ্চুৱেল ব্যৱস্থাৰে অংশগ্ৰহণ কৰিব। সামাজিক মাধ্যমযোগে আজি এই কথা প্ৰকাশ কৰি শ্ৰী মোদীয়ে কয়, যে তেওঁ মালয়েছিয়াৰ প্ৰধানমন্ত্ৰী আনোৱাৰ ইব্ৰাহিমৰ সৈতে কথা পাতিছে আৰু দেশখনে আছিয়ান ৰাষ্ট্ৰগোষ্ঠীৰ অধ্যক্ষতাৰ দায়িত্ব গ্ৰহণ কৰাৰ বাবে অভিনন্দন জনাইছে।

প্ৰধানমন্ত্ৰীয়ে লগতে আছিয়ান ৰাষ্ট্ৰগোষ্ঠীৰ আসন্ন শীৰ্ষ সন্মিলনৰ সাফল্যৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে আৰু ভাৰত-আছিয়ান সৰ্বাত্মক কৌশলগত সহযোগিতা অধিক গভীৰ কৰি তোলাৰ প্ৰতি নিজৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ বিষয়ে দোহাৰে। অন্য সন্মিলনৰ সৈতে ৪৭ সংখ্যক আছিয়ান শীৰ্ষ সন্মিলন ২৬ৰ পৰা ২৮ অক্টোবৰলৈ মালেয়ছিয়াৰ ৰাজধানী কোৱালালামপুৰত অনুষ্ঠিত হ'ব।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি সন্ধিয়া প্ৰায় ৬ বজাত 'মেৰা বুথ সবসে মজবুত' কাৰ্যসূচীৰ অধীনত বিজেপি-এন ডি এ মিত্ৰজোঁটৰ কৰ্মীসকলৰ সৈতে ভাৰ্চুৱেল ব্যৱস্থাৰে বৈঠকত মিলিত হ'ব। শ্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে কয়, যে বিহাৰ বিধানসভা নিৰ্বাচনত বিজেপি-এন ডি এৰ জয় সুনিশ্চিত কৰাৰ বাবে বিজেপি আৰু এন ডি এ মিত্ৰজোঁটৰ অংশীদাৰ দলসমূহৰ কৰ্মীসকলে অভূতপূৰ্ব উৎসাহ আৰু নিষ্ঠাৰে কাম কৰি আছে। জনসম্পৰ্কৰ পৰা আলোচনালৈকে সংগঠনৰ প্ৰতিটো পৰ্যায়ত তেওঁলোকৰ অংশগ্ৰহণ এন ডি এৰ সবাতোকৈ বৃহৎ শক্তি বুলি তেওঁ মন্তব্য কৰে।

০০০০০০০০০

বিহাৰ বিধানসভা নিৰ্বাচনৰ বাবে মহা মিত্ৰজোঁটে ৰাষ্ট্ৰীয় জনতা দলৰ নেতা তেজস্বী প্ৰসাদ যাদৱক মুখ্যমন্ত্ৰী পদৰ প্ৰাৰ্থী হিচাপে ঘোষণা কৰিছে। পাটনাত অনুষ্ঠিত এখন যুটীয়া সংবাদমেলত কংগ্ৰেছৰ নিৰ্বাচন পৰ্যবেক্ষক তথা ৰাজস্থানৰ প্ৰাক্তন মুখ্যমন্ত্ৰী অশোক গেহলটে আজি এই কথা ঘোষণা কৰে। সংবাদমেলত মহা জোঁট বন্ধনৰ ৭ টা বিধায়িনী দলৰ মুৰব্বী আৰু জ্যেষ্ঠ নেতাসকল উপস্থিত থাকে। শ্ৰী গেহলটে লগতে কয়, যে ৰাজ্যখনত যদি মহা মিত্ৰজোঁটে চৰকাৰ গঠন কৰে, তেনেহ'লে বিকাশশীল ইনচান পাৰ্টিৰ মুৰব্বী মুকেশ চাহানীক উপ-মুখ্যমন্ত্ৰী হিচাপে নিযুক্তি দিয়া হ'ব। মহা মিত্ৰজোঁটে ইয়াৰ মুখ্যমন্ত্ৰী পদৰ প্ৰাৰ্থীৰ নাম ঘোষণা কৰাৰ বিপৰীতে এন ডি এৰ মুখ্যমন্ত্ৰী পদৰ প্ৰাৰ্থীৰ নাম এতিয়াও অস্পষ্ট হৈ আছে বুলি শ্ৰী গেহলটে প্ৰকাশ কৰে।

অনুষ্ঠানত তেজস্বী প্ৰসাদ যাদৱে মুখ্যমন্ত্ৰী পদৰ প্ৰাৰ্থী হিচাপে তেওঁৰ নাম ঘোষণা কৰাৰ বাবে মিত্ৰজোঁটৰ নেতাসকলক ধন্যবাদ জনায়। মহা মিত্ৰজোঁটৰ সহযোগীসকলৰ আকাংক্ষা পূৰণৰ বাবে তেওঁ সকলোধৰণৰ প্ৰয়াস কৰিব বুলি শ্ৰী যাদৱে প্ৰকাশ কৰে।

ইপিনে, মহা মিত্ৰজোঁটৰ সমালোচনা কৰি বিজেপি নেতা প্ৰতুল শ্বাহ দেউৱে কয়, যে বিৰোধী পক্ষৰ নেতাসকলৰ ব্যক্তিগত উচ্চাকাংক্ষা ইমানেই বেছি, যে প্ৰত্যেকেই মুখ্যমন্ত্ৰী হ'বলৈ বিচাৰে। বিজেপিৰ নেতাগৰাকীয়ে মহা মিত্ৰজোঁটে বিহাৰৰ উন্নয়নৰ বাবে কোনোধৰণৰ কাম নকৰাৰ অভিযোগ তোলে। ৰাঁচীত আয়োজিত এটা অনুষ্ঠানত শ্ৰী দেউৱে কয়, যে বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰৰ অধীনত এই নিৰ্বাচনত তেওঁলোকে প্ৰতিদ্বন্দ্বিতা কৰিব বুলি এন ডি এই ইতিমধ্যে স্পষ্ট কৰি দিছে।

০০০০০০০০০

———দেশৰ বিভিন্ন অংশত আজি পৰম্পৰাগত ৰীতি-নীতিৰে ভাতৃ দ্বিতীয়া পালন কৰা হৈছে। ভাতৃ-ভগ্নীৰ মাজৰ অটুত প্ৰেমৰ প্ৰতীক এই উৎসৱক যম দ্বিতীয়া, ভাতৃ দ্বিতীয়া, ভাই দুজ, ভাওবিজ, ভাই টীকা, ভাই ফোঁট নামেৰেও জনা যায়। হিন্দু পঞ্জিকা অনুসৰি প্ৰতি বছৰে কাতি মাহৰ শুক্ল পক্ষৰ দ্বিতীয়াৰ দিনা এই উৎসৱ পালন কৰা হয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাই দুজ উপলক্ষে দেশবাসীক ওলগ জনাইছে। শ্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয়, যে এই উৎসৱে ভাতৃ-ভগ্নীৰ মাজত পাৰস্পৰিক মৰম-ভালপোৱা আৰু আস্থাৰ প্ৰতীক স্বৰূপ।

এই উৎসৱে সকলোৰে জীৱনলৈ সুখ-সমৃদ্ধি আৰু সৌভাগ্যৰ বতৰা কঢ়িয়াই আনে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ লগতে ভাই দুজৰ উৎসৱে ভাতৃ-ভগ্নীৰ মাজৰ সম্বন্ধৰ এনাজৰীডাল অধিক শক্তিশালী কৰি তুলিব বুলি কামনা কৰে।

০০০০০০০০০

পেলেষ্টাইনৰ ভূমিত আন্তঃৰাষ্ট্ৰীয় মানৱ অধিকাৰ আইন বজাই ৰাখিবলৈ আৰু গাজাৰ জনসাধাৰণক সাহায্য প্ৰদানৰ ক্ষেত্ৰত ৰাষ্ট্ৰ সংঘৰ সতে কাম কৰিবলৈ ইজৰাইল বাধ্য বুলি আন্তঃৰাষ্ট্ৰীয় ন্যায় আদালত-ICJয়ে প্ৰকাশ কৰিছে। এই মৌলিক প্ৰয়োজনসমূহৰ ভিতৰত খাদ্য, পানী, আশ্ৰয়, ইন্ধন আৰু চিকিৎসা সেৱা আছে। এইক্ষেত্ৰত ইজৰাইলৰ ভূমিকা সন্দৰ্ভত ICJ–য়ে কয়, যে ইজৰাইলে যুদ্ধৰ অংশ হিচাপে নাগৰিকক অনাহাৰে ৰখা কাৰ্য ত্যাগ কৰিব লাগিব আৰু পেলেষ্টাইনৰ অঞ্চলসমূহত বাস কৰা লোকসকলক জীৱন ধাৰণৰ বাবে অত্যাৱশ্যকীয় সামগ্ৰীসমূহৰ যোগান ধৰাটো নিশ্চিত কৰিব লাগিব। আন্তঃৰাষ্ট্ৰীয় ন্যায় আদালতৰ ১১ জনীয়া বিচাৰপীঠে কয়, যে গাজা ষ্ট্ৰীপত পেলেষ্টাইনৰ শৰণাৰ্থীৰ বাবে ৰাষ্ট্ৰসংঘই প্ৰদান কৰা সাহায্য অভিযানৰ প্ৰতি ইজৰাইলে সমৰ্থন আগবঢ়াব লাগিব।

ৰাষ্ট্ৰসংঘৰ সাধাৰণ সচিব এণ্টনিঅ' গুটেৰেছে আন্তঃৰাষ্ট্ৰীয় ন্যায় আদালতৰ এটা পৰামৰ্শক স্বাগতম জনাইছে আৰু ইজৰাইলত এই অনুসৰি সহযোগিতা আগবঢ়াবলৈ আহ্বান জনাইছে।

ইপিনে, ইজৰাইলৰ বৈদেশিক মন্ত্ৰালয়ে ন্যায় আদালতৰ মতামতক কঠোৰভাৱে অস্বীকাৰ কৰি ইয়াত আন্তঃৰাষ্ট্ৰীয় আইনৰ ৰাজনীতিকৰণ বুলি উল্লেখ কৰে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ বৈদেশিক বিভাগেও এই মতামতক ৰাজনীতিৰ দ্বাৰা প্ৰভাৱিত বুলি উল্লেখ কৰে। ইজৰাইলে বিগত বৰ্ষত ৰাষ্ট্ৰসংঘৰ সাহায্য আৰু কাৰ্য সংস্থাৰ কিছু সংখ্যক কৰ্মচাৰী সন্ত্ৰাসবাদী গোট হামাছ আৰু অন্যান্য সংগঠনৰ সদস্য বুলি অভিযোগ কৰি গাজাত এই সংস্থাৰ কাম-কাজত নিষেধাজ্ঞা জাৰি কৰিছিল।

০০০০০০০০০

ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনে দেশৰ কৌশলগত পাৰমাণৱিক বাহিনীসমূহৰ অনুশীলন নিৰীক্ষণ কৰিছে। পুটিনে কালি ক্ৰেম্বলিনৰ কামাণ্ড কক্ষৰ পৰা টেলিভিছন যোগে দিয়া ভাষণত কয়, যে কৌশলগত বাহিনীসমূহত অনুশীলন নিৰ্ধাৰিত কাৰ্যসূচী অনুসৰি সম্পন্ন হয়। ক্ৰেম্বলিন মহলৰ বিজ্ঞপ্তি অনুসৰি অনুশীলনৰ সময়ত আন্তঃমহাদেশীয় বেলিষ্টিক ক্ষেপনাস্ত্ৰ আৰু ক্ৰুইজ ক্ষেপনাস্ত্ৰ নিক্ষেপ কৰা হয়। ৰাষ্ট্ৰপতি পুটিনৰ নিৰীক্ষণত সম্পন্ন এই কৌশলগত পাৰমাণৱিক অনুশীলনৰ জৰিয়তে ৰাছিয়াৰ সৈন্য কামানৰ প্ৰস্তুতি, প্ৰণালী তথা সৈন্য সঞ্চালনৰ পৰীক্ষা কৰা হয় আৰু অনুশীলনৰ পৰীক্ষণ কালত সকলো লক্ষ্য পূৰণ হয়।

০০০০০০০০০

ভাৰতে এডেলেইডত অনুষ্ঠিত তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত অষ্ট্ৰেলিয়াক জয়ৰ বাবে ২৬৫ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। খেলখনত ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ৫০ অ'ভাৰত ৯ টা উইকেট হেৰুৱাই ২৬৪ ৰান কৰে। ভাৰতৰ হৈ ৰোহিত শৰ্মাই ৭৩ ৰান আৰু শ্ৰেয়াস আয়াৰে ৬১ ৰান কৰে। এদিনীয়া ক্ৰিকেটত খেলুৱৈ জীৱনৰ ৫৯ সংখ্যক অৰ্ধ শতক অৰ্জন কৰা ৰোহিত শৰ্মাই এই প্ৰদৰ্শনৰ সুবাদত অষ্ট্ৰেলিয়াৰ মাটিত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে বিশ্বকাপৰ বাহিৰে অন্য এদিনীয়াত এহেজাৰ ৰান কৰা দেশৰ প্ৰথমগৰাকী

ক্ৰিকেটাৰ ৰূপে পৰিগণিত হয়। অষ্ট্ৰেলিয়াৰ এডম জাম্পাই চাৰিটা উইকেট দখল কৰে। অষ্ট্ৰেলিয়াই পাৰ্থত অনুষ্ঠিত প্ৰথমখন খেলত ৭ উইকেটত জয়লাভ কৰি শৃংখলাত ১-০ ফলাফলত আগবাঢ়ি আছে।

০০০০০০০০০

আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি নৱী মুম্বাইৰ ডি ৱাই পাটিল ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ভাৰত নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি ৩ বজাত আৰম্ভ হ'ব। আজিৰ খেলত দুয়োটা দলে জয়ৰ বাবে আপ্ৰাণ চেষ্টা চলাব। ভাৰতে এইবাৰৰ বিশ্বকাপত শ্ৰীলংকা আৰু পাকিস্তানক পৰাস্ত কৰি প্ৰত্যয়জনক আৰম্ভণি কৰিছিল যদিও পৰৱৰ্তী সময়ত দক্ষিণ আফ্ৰিকা, অষ্ট্ৰেলিয়া আৰু ইংলেণ্ডৰ হাতত পৰাস্ত হৈ ছেমি ফাইনেলৰ পূৰ্বে বিদায় লোৱাৰ আশংকাত ভূগিবলগীয়া হৈছে। ছেমি ফাইনেলৰ পূৰ্বে বাকী থকা নিউজিলেণ্ড আৰু বাংলাদেশৰ বিৰুদ্ধে দুয়োখন খেলত জয়লাভ কৰিব পাৰিলেহে ভাৰতে ছেমি ফাইনেল খেলাৰ আশা থাকিব। নিউজিলেণ্ডৰ কাৰণেও আজিৰ খেলখন সমানে তাৎপৰ্যপূৰ্ণ বুলি বিবেচিত হৈছে। আজিৰ খেলখনত পৰাজিত হোৱা দলটো প্ৰতিযোগিতাৰ পৰা বাহিৰ হ'ব।

০০০০০০০

সমাপ্ত